**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-09-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

-----------------------

১। তিনিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকাত উপস্থিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। কেইবালানিও উচ্চস্তৰীয় বৈঠক আৰু আলোচনাত অংশগ্ৰহণ প্ৰধানমন্ত্ৰীৰ।

২। কেইবাটাও চৰকাৰী কাৰ্যসূচীৰে কোকৰাঝাৰত ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য।

৩। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ঢেকীয়াজুলিত শ্বহীদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ আৰু প্ৰতিমূৰ্তি উদ্বোধন।

৪। বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ বাবে ৰাজ্যৰ কেইবাখনো জিলাৰ শিক্ষানুষ্ঠানৰ পাঠদানৰ সময়সূচীৰ সালসলনি।

**আৰু**

৫। চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত শৃংখলাৰ প্ৰথমখন টেষ্টত সবল স্থিতিত ভাৰত। সামগ্ৰিকভাৱে ৩০৮ ৰানৰ অগ্ৰগতিৰে আজি আৰম্ভ কৰিব তৃতীয় দিনৰ খেল।

০০০০০০

তিনিদিনীয়া ভ্ৰমণসূচীৰে আমেৰিকাত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দুই দেশৰ মাজত কেইবালানিও উচ্চস্তৰীয় বৈঠক আৰু আলোচনাত অংশগ্ৰহণ কৰিব। ৱাশ্বিংটনৰ ডেলাৱেৰত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত অংশগ্ৰহণেৰে শ্ৰী মোদীয়ে তেওঁৰ এই ভ্ৰমণৰ পাতনি মেলিব। প্ৰধানমন্ত্ৰী মোদীয়ে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি জ' বাইডেন আৰু কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ অন্যান্য নেতাসকলৰ সৈতে দ্বিপাক্ষীক বৈঠকত মিলিত হ'ব। আমেৰিকা ভ্ৰমণৰ পূৰ্বে দিয়া এটা বিবৃতিত প্ৰধানমন্ত্ৰী মোদীয়ে কয় যে, এই ভ্ৰমণৰ সময়ছোৱাত তেওঁ ৰাষ্ট্ৰপতি বাইডেন, অষ্ট্ৰেলিয়াৰ প্ৰধানমন্ত্ৰী আলবানিজ আৰু জাপানৰ প্ৰধানমন্ত্ৰী ফুমিঅ' কিশ্বিদাক সাক্ষাৎ কৰিব। আমেৰিকাৰ ৰাষ্ট্ৰপতিগৰাকীৰ সৈতে হ'বলগীয়া বৈঠক সন্দৰ্ভত শ্ৰী মোদীয়ে কয় যে, এই বৈঠকে ভাৰতৰ জনসাধাৰণ তথা গোলকীয় হিতৰ উদ্দেশ্যে ভাৰত, আমেৰিকা সামগ্ৰিক গোলকীয় কৌশলগত অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে নতুন পথৰ সন্ধান তথা পৰ্যালোচনাৰ সুযোগ প্ৰদান কৰিব।

ইয়াৰ পাছত প্ৰধানমন্ত্ৰী মোদী নিউয়ৰ্কলৈ যাব আৰু ২২ ছেপ্তেম্বৰত তেওঁ দেশৰখনত বাস কৰা ভাৰতীয় মূলৰ লোকসকলৰ সৈতে মত বিনিময় কৰিব। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটি আৰু অৰ্ধপৰিবাহী আদি ন ন প্ৰযুক্তিৰ ক্ষেত্ৰত ব্যাপক সহযোগিতা অন্বেষণৰ উদ্দেশ্যে আমেৰিকাৰ আগশাৰীৰ কোম্পানীসমূহৰ শীৰ্ষ নেতাসকলৰ সৈতেও বৈঠকত মিলিত হোৱাৰ কথা আছে।

ভ্ৰমণৰ অন্তিম দিনা নিউয়ৰ্কত থকা ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত **ছামিট অব দ্য ফিউচাৰ** শীৰ্ষক সন্মিলন সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে **উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান**।

০০০০০০

রাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুদিনীয়া ভ্ৰমণসূচীৰে কালি কোকৰাঝাৰত উপস্থিত হয়। শ্ৰী আচাৰ্যই আজি জিলাখনত কেইবাটাও চৰকাৰী কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। ৰাজ্যপালগৰাকীৰ ভ্ৰমণ তথা কাৰ্যসূচীসমূহ সন্দৰ্ভত সবিশেষ জনাব আমাৰ কোকৰাঝাৰৰ সংবাদদাতা প্ৰীতম ব্ৰহ্ম চৌধুৰীয়ে এইদৰে কয় -

**-ভইচ কাষ্ট-**

০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু শোণিতপুৰ জিলা প্ৰশাসনৰ সহযোগত ঢেকীয়াজুলিত অনুষ্ঠিত হ'বলগীয়া বিশেষ কাৰ্যসূচীত শ্বহিদ স্মাৰক উদ্যানৰ সন্মিলন কেন্দ্ৰ আৰু প্ৰতিমূৰ্তি উদ্বোধন কৰিব। ১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত শ্বহীদ হোৱা ঢেকিয়াজুলিৰ ১১ গৰাকী বীৰ-বীৰাংগনাৰ স্মৃতিত এই স্মাৰক উদ্যান সাজি উলিওৱা হৈছে।

জাতীয়তাবাদ আৰু দেশপ্ৰেমক প্ৰতিফলিত কৰা বিভিন্ন কাৰ্যসূচী পৰিৱেশিত হ'ব লগীয়া এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা মন্ত্ৰী বিমল বৰা আৰু গৃহ নিৰ্মাণ তথা নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী অশোক সিংহালো উপস্থিত থাকিব।

০০০০০০

কেন্দ্ৰত নৰেন্দ্ৰ মোদী চৰকাৰে ঐতিহাসিক তৃতীয়টো কাৰ্যকালৰ ১০০ দিন সম্পূৰ্ণ কৰিছে। এই সময়ছোৱাত চৰকাৰে আন্তঃগাঁথনি কৃষক, মধ্যবিত্ত শ্ৰেণী, মহিলা তথা যুৱক-যুৱতীসকলৰ ওপৰত গুৰুত্ব আৰোপ কৰি ১৫ লাখ কোটি টকাৰো অধিক ব্যয় সাপেক্ষ বহুতো প্ৰকল্প মুকলি কৰে। আমাৰ সংবাদদাতাই জনোৱা মতে জীৱন ধাৰণৰ সুচলতা বৃদ্ধি আৰু দেশৰ মধ্যবিত্ত শ্ৰেণীৰ সৰলীকৰণৰ বাবে নৰেন্দ্ৰ মোদী চৰকাৰে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। তৃতীয়টো কাৰ্যকালৰ প্ৰথম ১০০ দিনত চৰকাৰে প্ৰধানমন্ত্ৰী আবাস যোজনা-নগৰীয়াৰ অধীনত ১০০ কোটি বাসগৃহ নিৰ্মাণত অনুমোদন দিছে। দেশত উদ্যমিতাক উদগনি দিয়াৰ উদ্দেশ্যে চৰকাৰে মুদ্ৰা ঋণৰ সীমা ১০ লাখৰ পৰা ২০ লাখ টকালৈ বৃদ্ধি কৰিছে। কৰদাতাসকলক উপকৃত কৰাৰ বাবে ৭ লাখ টকা পৰ্যন্ত আয় কৰ মুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। উমৈহতীয়া পেঞ্চন আঁচনিৰ অধীনত কেন্দ্ৰীয় চৰকাৰৰ ২৩ লাখ কৰ্মচাৰীক ৫০ শতাংশ পেঞ্চনৰ নিশ্চয়তা প্ৰদান কৰা হৈছে। তদুপৰি মধ্যবিত্ত শ্ৰেণীৰ বাবে বিদ্যুৎ বিলৰ বোজা হ্ৰাস কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰী সূৰ্যঘৰ বিনামূলীয়া বিজুলী যোজনাৰ অধীনত চাৰে ৩ লাখ বাসগৃহত সৌৰ ব্যৱস্থা স্থাপন কৰা হৈছে। যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ উদ্দেশ্যে পুণে, থানে আৰু বাংগালুৰুত মুঠ ৩০ হাজাৰ ৭০০ কোটি টকা ব্যয় সাপেক্ষ মেট্ৰ' প্ৰকল্পত অনুমোদন দিছে। এই প্ৰকল্পসমূহে যোগাযোগ ব্যৱস্থা উন্নত কৰাৰ লগতে যাত্ৰাৰ সময় হ্ৰাস কৰিব আৰু ৰাজহুৱা পৰিবহণ ব্যৱস্থা শক্তিশালী কৰাত সহায় কৰিব।

নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰৰ তৃতীয় কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ কৰাত শিৱসাগৰৰ বিশ্ব ভূঞাই এনেদৰে কয়-

**-ভইচ কাষ্ট-**

০০০০০০

যোৱা ৬টা বছৰত অসমত কৃষি ৰপ্তানিৰ বিকাশ ৮৫ শতাংশলৈ বৃদ্ধি পাইছে। কৃষি, পশুপালন তথা পশু চিকিৎসা মন্ত্ৰী অতুল বৰাই কালি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ভাইব্ৰেণ্ট নৰ্থইষ্ট ২০২৪ শীৰ্ষক অনুষ্ঠানত

অংশ লৈ এই মন্তব্য কৰে। ড'নাৰ মন্ত্ৰ্যালয়ৰ সহযোগত আয়োজিত অনুষ্ঠানটিত তেওঁ লগতে কয় যে, অসমত শেহতীয়াকৈ সুকীয়া কৰ্মসংস্কৃতিৰ পৰিৱেশ ৰচনা হৈছে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চৰকাৰে ৰাজ্যৰ সৰ্বস্তৰৰ লোকৰ কল্যাণ তথা ভৱিষ্যৎ প্ৰজন্মৰ সুৰক্ষাৰ হকে কাম কৰি আছে। মন্ত্ৰী বৰাই কয় যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ এক্ট-ইষ্ট পলিচিৰ ফলত উত্তৰ-পূৰ্বাঞ্চলৰ কৃষি, বাণিজ্য উদ্যোগ আন্তঃগাঁথনি সৃষ্টি আদি খণ্ডসমূহত উজ্জীৱিত পৰিৱেশৰ সৃষ্টি হৈছে। ভৌগোলিক স্থিতি তথা স্বকীয় বৈশিষ্টৰে ভৰা অসমৰ মাটি আৰু কৃষি জলবায়ুৰে উৎপাদিত শস্যক বিশেষ মাত্ৰা প্ৰদান কৰাৰ বাবেই অসমৰ ৰঙা চাউল, ক'লা চাউল, জহা চাউল, কাজি নেমু আদিৰ চাহিদা আন্তৰ্জাতিক বজাৰত বৃদ্ধি পাইছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। অনুষ্ঠানটিত মন্ত্ৰীগৰাকীয়ে দেশৰ বিভিন্ন প্ৰতিষ্ঠান, সংগঠনে প্ৰদৰ্শন কৰা বাণিজ্যিক সামগ্ৰী তথা প্ৰযুক্তি পৰিদৰ্শন কৰা লগতে কৃষক আৰু উদ্যমী যুৱক-যুৱতীসকলৰ সৈতেও মত বিনিময় কৰে।

০০০০০০

ৰাজ্যত বৰ্ধিত তাপমাত্ৰা তথা উৎকট গৰমৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে কেইবাখনো জিলাৰ বিদ্যালয়ৰ পাঠদান সময়সূচীৰ সালসলনিৰ নিৰ্দেশনা জাৰি কৰিছে। কামৰূপ মহানগৰ, ডিব্ৰুগড়, বজালী, বঙাইগাঁও, শোণিতপুৰ জিলাৰ সকলো ব্যক্তিগত, চৰকাৰী তথা কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ বিদ্যালয়লৈ পাঠদানৰ সময়সূচীৰ সালসলনিৰ নিৰ্দেশ দিছে। এই নিৰ্দেশনা অনুসৰি বিদ্যালয়ৰ শ্ৰেণীসমূহ পুৱা চাৰে সাত বজাৰ পৰা আৰম্ভ কৰিবলৈ অনুমতি দিয়া হোৱাৰ লগতে দিনৰ চাৰে ১২ বজাত বিদ্যালয় ছুটী দিবলৈ কোৱা হৈছে। তদুপৰি সকলো শিক্ষানুষ্ঠানকে ৰাতিপুৱাৰ প্ৰাৰ্থনা সভা শ্ৰেণীকোঠাৰ ভিতৰত অনুষ্ঠিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। বিদ্যালয়ৰ প্ৰাংগনত উপযুক্ত খোৱাপানীৰ ব্যৱস্থা কৰাৰ লগতে অন্যান্য সা-সুবিধাসমূহ সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়া হৈছে।

০০০০০০

উৎকট গৰমে জনসাধাৰণৰ স্বাভাৱিক জীৱন যাত্ৰা ব্যাহত কৰিছে। আহিন মাহতো অস্বাভাৱিক হাৰত গ্ৰীষ্ম প্ৰৱাহ বৃদ্ধি পাইছে। বতৰ বিজ্ঞান কেন্দ্ৰৰ তথ্য অনুসৰি কালিৰ দিনটোত ৰাজ্যৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৮ ডিগ্ৰী চেলচিয়াছ পৰ্যন্ত ঊৰ্ধমুখী হৈছিল। কেন্দ্ৰটোৱে আজিৰ দিনটোতো ৰাজ্যৰ ভিন্ন প্ৰান্তত তাপমাত্ৰা অধিক বৃদ্ধি পাব বুলি আগলি বতৰা দিয়াৰ লগতে আগন্তুক তিনি-চাৰি দিনলৈ ৰাজ্যত বৰষুণ হোৱাৰ সম্ভাৱনা নাই বুলিও তথ্য প্ৰকাশ কৰিছে। আজিৰ দিনটোত তাপমাত্ৰ ৩৮ৰ পৰা ৩৯ ডিগ্ৰী চেলচিয়াছলৈ বৃদ্ধি পোৱাৰ লগতে ৪৭ ডিগ্ৰী পৰ্যন্ত অনুভূত হ'ব বুলিও বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে।

০০০০০০

কৃষি আৰু পশুপালন তথা পশু চিকিৎসা বিভাগৰ মন্ত্ৰী অতুল বৰাই কালি বিভাগীয় জ্যেষ্ঠ বিষয়াসকলৰ সৈতে দিছপুৰত এখন বৈঠকত মিলিত হয়। বৈঠকখনত বিভাগৰ দ্বাৰা ৰূপায়িত বিভিন্ন আঁচনি আৰু কামকাজৰ শেহতীয়া স্থিতিৰ বুজ লোৱাৰ লগতে বিভাগৰ ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেট ব্যয়ৰ বিভিন্ন দিশ পৰ্যালোচনা কৰি তেওঁ বিষয়াসকলক যাৱতীয় নিৰ্দেশনা দিছে। তদুপৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত নিৰ্মাণ কাৰ্য চলি থকা পশু চিকিৎসায় আৰু অন্যান্য আন্তঃগাঁথনিৰ শেহতীয়া অগ্ৰগতিৰ বুজ লোৱাৰ লগতে পশুধনৰ টীকাকৰণ অভিযান, ঔষধৰ উপলব্ধতা আদি বিষয়টো তেওঁ আলোচনা কৰে।

০০০০০০

ভাৰতীয় প্ৰশাসনীয় সেৱাৰ বিষয়া জয় শিৱানীয়ে কালি যোৰহাটৰ জিলা আয়ুক্ত হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে। শ্ৰী শিৱানীয়ে ইয়াৰ পূৰ্বে পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ আয়ুক্ত হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। কিছুদিন পূৰ্বে ৰাজ্যিক পৰ্যায়ত বিষয়াৰ সালসলনিৰ নিৰ্দেশমৰ্মে যোৰহাটৰ আয়ুক্ত হিচাপে শ্ৰী শিৱানীক দায়ত্ব অৰ্পণ কৰে।

০০০০০০

অসম চৰকাৰৰ সামাজিক ন্যায় আৰু সৱলীকৰণ সঞ্চালকালয়ৰ অধীনত জ্যেষ্ঠ নাগৰিক কল্যাণ পৰিষদৰ উদ্যোগ আৰু মৰিগাঁও জিলা জ্যেষ্ঠ নাগৰিক সভাৰ সহযোগত আজি দিনজোৰা কাৰ্যসূচীৰে পবিতৰা হাটত সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত হ'ব। অনুষ্ঠানত জ্যোতিসংগীত, ৰাভা সংগীত আৰু ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা অনুষ্ঠিত কৰা হ'ব। মৰিগাঁও জিলা আয়ুক্তই এই সাংস্কৃতিক সমাৰোহৰ উদ্বোধন কৰিব। জিলাখনৰ জ্যেষ্ঠ নাগৰিকৰ মাজত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হোৱা প্ৰতিযোগিতাখনৰ বাবে সকলো প্ৰস্তুতি সম্পন্ন কৰা হৈছে।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত **মোদী চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ এশ দিন সম্পূৰ্ণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰা হব। অনুষ্ঠানত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰূপম গোস্বামী আৰু সাংবাদিক সঞ্জীৱ কলিতা সমল ব্যক্তি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০০০

চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত বাংলাদেশৰ বিৰুদ্ধে অনুষ্ঠিত দুখনীয়া টেষ্ট ক্রিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে কালি তিনি উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৮১ ৰানৰ পৰা আজি তৃতীয় দিনৰ খেল আৰম্ভ কৰিব। প্ৰথম ইনিংছত ২২৭ ৰানৰ শক্তিশালী অগ্ৰগতিৰে ভাৰতে বৰ্তমান সামগ্ৰিকভাৱে ৩০৮ ৰানৰ অগ্ৰগতি লাভ কৰি আছে। কালি দ্বিতীয় দিনৰ খেলৰ সামৰণি পৰলৈকে ভাৰতৰ শুভমন গীলে ৩৩ ৰাণ আৰু ঋষভ পণ্টে ১২ ৰাণ কৰি অপৰাজিত হৈ আছে।

দ্বিতীয় দিনা নিজৰ দ্বিতীয় ইনিংছত ভাৰতে ৩ টা উইকেট হেৰুৱায়। ৰোহিত শৰ্মাই ৫ ৰান কৰাৰ বিপৰীতে য়শস্বী জয়ছোৱালে ১০ ৰান আৰু  বিৰাট কোহলিয়ে ১৭ ৰান কৰি আউট হয়।

০০০০০০

সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত আৰু অসম ফুটবল সন্থাৰ পৰ্যৱেক্ষণ তথা যোৰহাট জিলা ক্রীড়া সন্থাৰ আতিথ্যত অনুষ্ঠিত ল'ৰাৰ ছাব-জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল চেম্পিয়নশ্বিপত অসমে চূড়ান্ত বিজয়ীৰ খিতাপ অৰ্জন কৰিছে। যোৰহাট ষ্টেডিয়ামত অনুষ্ঠিত ফাইনেল খেলখনত অসমে ১১-০ গ'লৰ ব্যৱধানত হাৰিয়ানাক পৰাস্ত কৰি ২০২৪-২৫ বৰ্ষৰ টিয়াৰ-২ ছেম্পিয়নৰ খিতাপ দখল কৰে। অসমৰ থমাছ দৈমাৰীয়ে ছটা গ'ল কৰি ডাবল হেট্ৰিক অৰ্জন কৰে। বঁটা প্ৰদান অনুষ্ঠানত মৰিয়ণি সমষ্টিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীৰ লগতে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচন, অসম ফুটবল সন্থা আৰু যোৰহাট ক্রীড়া সন্থাৰ বিষয়ববীয়াসকলৰ উপৰি কেইবাগৰাকীও প্ৰাক্তন খেলুৱৈ উপস্থিত থাকে।

০০০০০০

সমাপ্ত